# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**- - - - - - - - - - - - - -**

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। পৰহিলৈ অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যজুৰি বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে।

গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে স্থাপিত গামোচাৰ বিপণীৰ লগতে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ড° ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব।

অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীয়ে অনাদিকালৰে পৰা বিহু পালন কৰি আহিছে। বাপতিসাহোন বিহুটি ডিমাছা, মৰাণ, মিছিং আৰু তিৱা সকলেনো কেনেকৈ পালন কৰে এই বিষয়ে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আকাশবাণী গুৱাহাটী সংবাদ চলন্তিকাত শুনিবলৈ পাব। আমাৰ ডিমা হাচাও, তিনিচুকীয়া, ধেমাজি আৰু মৰিগাঁও জিলাৰ সংবাদ দাতাসকলৰ প্ৰতিবেদনৰ আধাৰত এই বিশেষ সংবাদ চলন্তিকা যুগুতাইছে ৰাজীৱ লোচন বৰঠাকুৰে।

oooo

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱ নিৰ্বাচিত ৩৬ গৰাকী পাৰিষদে আজি দুধনৈত শপত গ্ৰহণ কৰে। দুধনৈৰ উদয়পুৰস্থিত সচিবালয়ৰ চৌহদত আজি বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱাকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী বিধায়কে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ৰাভা বীৰ পৰশুৰামৰ প্ৰতিমুৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে নৱ নিৰ্বাচিত পাৰিষদসকলক শপত বাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানতে

টংকেশ্বৰ ৰাভাই তৃতীয়বাৰৰ বাবে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। একেদৰে সোনাৰাম ৰাভাই অধ্যক্ষ আৰু অলকা ৰাভাই উপাধ্যক্ষ হিচাপে শপত লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি এই অনুষ্ঠানত অংশ লৈ জনসাধাৰণৰ সহযোগিতাৰে চৰকাৰে ৰাভা জনগোষ্ঠীৰ লগতে অনান্য সম্প্ৰদায়সমূহৰ লোকসকলৰ আশা-আকাংক্ষা পূৰণ কৰাৰ লক্ষ্যৰে কাম কৰি যাব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এইবাৰ গোৱালপাৰা জিলাত প্ৰায় ৭০ শতাংশ আৰু কামৰূপ জিলাত ৬৭ শতাংশৰো অধিক লোকে পৰিষদৰ নিৰ্বাচনত ভোটদান কৰিছিল। অনাগত দিনতো শান্তি সম্প্ৰীতিৰে পৰিষদৰ কাম-কাজৰ অগ্ৰগতি হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উন্নয়নৰ বাবে পৰিষদৰ সৈতে অসম চৰকাৰে সদায় কাম কৰি যাব বুলি তেঁও উল্লেখ কৰে।

**বাইট**

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাভাসকলৰ পৰাক্ৰমী ৰাজা বীৰ দদানৰ স্মৃতিত এটা প্ৰতিমুৰ্তি স্থাপনৰ কথা ঘোষণা কৰে। এই অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ২৪ খন জিলা পৰিষদত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে বেকেলী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দেৱজ্যোতি ৰাভা, পঞ্চতীৰ্থ হাজো জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী ৰীতা তালুকদাৰ আৰু শৰাইঘাট কেতেকীবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী বিৰাজ কুমাৰ নাথে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ১৩৯ খন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে ৩১৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০ টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। বজালী জিলাত চাৰিখনকৈ আঞ্চলিক পঞ্চায়ত বিজেপি-অগপ মিত্ৰদলৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ৰ দিয়ে অগ্ৰসৰ হৈছে।

কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত আজি ৰোগীৰ বাবে অত্যাধুনিক ৰ'ব'টিক চাৰ্জাৰী ব্যৱস্থা মুকলি কৰে। অসমৰ স্বাস্থ্য সেৱাৰ যাত্ৰাত এয়া এক বৃহৎ মাইলৰ খুটি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে ১৪ কোটি ৯৯ লাখ টকা প্ৰকল্প ব্যয়েৰে এই ৰ'ব'টিক চাৰ্জাৰী ব্যৱস্থাটো ভাৰত চৰকাৰৰ এন পি চি দি চি এছ্ আঁচনিৰ অধীনত ক্ৰয় কৰিছে। এই ৰ'ব'টিক ব্যৱস্থাৰে বহু জটিল অস্ত্ৰোপচাৰো এতিয়া সহজে সম্পন্ন কৰিব পৰা হ'ব বুলি শ্ৰীশৰ্মাই প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত